# A Field Study on Indigenous Pali Education and Educational aspect of Women at Chalapather Shyam Gaon of Charaideo District

A Project Report submitted to Dibrugarh University for B.A. degree in Education Honours (CBCS) for the course Discipline Specific Elective: 604
(PROJECT REPORT)

Checked
(External Evaluator)
7/7/2022


Submitted by

Name: Kabene Chongmai.

Roll No: 10710028

Registration No: S1926520

Registration year: 2019-20
B. A. 6th Semester, Education Honours
Hem Chandra Dev Goswami College, Nitaipukhuri
2022

# প্ৰশংসা পত্ৰ

তাৰিখঃ 09-09-2022

"চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ দেশীয় পালি শিক্ষা ব্যৱস্থা আৰু মহিলাসকলৰ শৈক্ষিক দিশ সম্পৰ্কে এক ক্ষেত্ৰ ভিত্তিক অধ্যয়ন" শীৰ্ষক এই অধ্যয়ন মোৰ তত্ত্বাৱধানত শিক্ষা বিভাগৰ ষষ্ঠ যান্মাসিক ছাত্ৰী কাবেৰী চাংমাইয়ে সম্পন্ন কৰে। অনুসন্ধানকাৰীয়ে ষষ্ঠ যান্মাসিকৰ শিক্ষাতত্ব (সন্মান) বিষয়ৰ অষ্টাদশ কাকত **'প্ৰকল্প প্ৰতিবেদন'** (Project Report) Paper Code DSEED 604 ৰ উপযোগীকৈ প্ৰস্তুত কৰে আৰু শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

বিভাগীয় মুৰব্বী
শিক্ষা বিভাগ
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

Head
Deptt. of
H.C.D.G. College

# প্ৰশংসা পত্ৰ

তাৰিখঃ ০৭-০৭-২০২২

"চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ দেশীয় পালি শিক্ষা ব্যৱস্থা আৰু মহিলাসকলৰ শৈক্ষিক দিশ সম্পৰ্কে এক ক্ষেত্ৰ ভিত্তিক অধ্যয়ন" শীৰ্ষক এই অধ্যয়ন মোৰ তত্ত্বাৱধানত শিক্ষা বিভাগৰ ষষ্ঠ ষান্মাসিক ছাত্ৰী কাবেৰী চাও মাইচে সম্পন্ন কৰে। অনুসন্ধানকাৰীয়ে ষষ্ঠ ষান্মাসিকৰ শিক্ষাতত্ত্ব (সন্মান) বিষয়ৰ অষ্টাদশ কাকত 'প্ৰকল্প প্ৰতিবেদন' (Project Report) Paper Code DSEED 604 ৰ উপযোগীকৈ প্ৰস্তুত কৰে আৰু শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

লীনা দত্ত

তত্ত্বাৱধায়ক

শিক্ষা বিভাগ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

HCDG COLLEGE
Department of Education
NITAIPUKHURI

# ঘোষণা পত্ৰ

অনুসন্ধানকাৰীয়ে **‘চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ দেশীয় পালি শিক্ষা ব্যৱস্থা আৰু মহিলাসকলৰ শৈক্ষিক দিশ সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন’** বিষয়ৰ ওপৰত নিৰ্বাচিত ক্ষেত্ৰলৈ গৈ নিজাভাৱে সংগ্ৰহ কৰা তথ্য সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে আৰু শিক্ষা বিভাগলৈ স্নাতক উপাধিৰ মূল্যায়নৰ বাবে আগবঢ়োৱা হ’ল।

অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰীৰ স্বাক্ষৰ

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# কৃতজ্ঞতা পত্ৰ

তাৰিখ ঃ ..............................

পোন প্ৰথমে এই অধ্যয়নত মোক বিভিন্ন দিশত সহায় কৰা মহোদয়/মহোঁদয়া ...ড° লীনা দত্ত শইকীয়া... ক আন্তৰিক সেৱা জনাইছোঁ।

মহাবিদ্যালয় অধ্যক্ষৰ লগতে বিভাগৰ অধ্যাপক-অধ্যাপিকা সকললৈও আগবঢ়াইছোঁ মোৰ কৃতজ্ঞতা। এই অধ্যয়নৰ নমুনাৰূপী মহিলা প্ৰতিক্ৰিয়াকাৰী সকলৰ সহায়ৰ বাবে তেওঁলোকৰ শলাগ লৈছোঁ।

এই প্ৰতিবেদন প্ৰস্তুত কৰোতে যি সকল ব্যক্তিয়ে সহায়-সহযোগিতা আগবঢ়ালে তেখেত সকলকো যাচিলোঁ মোৰ সশ্ৰদ্ধ প্ৰণিপাত।

কাবেৰী চাং মৈ

অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰীৰ স্বাক্ষৰ

Head
Department of Education
H.C.D.G. College, Nitaipukhuri

# বিষয়সূচী


| | পৃষ্ঠা নং |
|---|---|
| প্ৰশংসাপত্ৰ | |
| ঘোষণাপত্ৰ | |
| কৃতজ্ঞতাপত্ৰ | |
| তালিকাসূচী | |
| পৰিভাষা | |
| ১.০ শিৰোনাম | ১ |
| ২.০ আৰম্ভণি | ১ |
| ৩.০ অধ্যয়নৰ যুক্তিযুক্ততা | ১ |
| ৪.০ বিষয়বস্তুৰ বিৱৰণ | ১-৩ |
| ৪.১ চলাপথাৰ শ্যাম গাঁও | ১ |
| ৪.২ টাই খাময়াং বা শ্যাম | ২ |
| ৪.৩ দেশীয় পালি শিক্ষা | ৩ |
| ৫.০ অধ্যয়নৰ উদ্দেশ্য | ৩ |
| ৬.০ পদ্ধতি আৰু নিয়ম প্ৰণালী | ৩-৪ |
| ৬.১ জনসমষ্টি আৰু নমুনা দল | ৩ |
| ৬.২ সঁজুলি আৰু কৌশল | ৪ |
| ৬.৩ তথ্য সংগ্ৰহ প্ৰণালী | ৪ |
| ৬.৪ তথ্য বিশ্লেষণ প্ৰণালী | ৪ |
| ৬.৫ অধ্যয়নৰ সীমাবদ্ধতা | ৪ |
| ৭.০ তথ্য বিশ্লেষণ আৰু উপস্থাপন | ৪-৯ |
| ৭.১ চলাপথাৰ শ্যাম গাঁওৰ দেশীয় পালি শিক্ষা ব্যৱস্থা | ৪ |
| ৭.২ চলাপথাৰ শ্যাম গাঁওৰ মহিলাসকলৰ শৈক্ষিক দিশ | ৬ |
| ৭.২.১ শিক্ষা | ৬ |
| ৭.২.২ জীৱিকা | ৮ |
| ৭.২.৩ সামাজিক পৰিৱৰ্তন | ৮ |
| ৮.০ অধ্যয়নৰ ফলাফল | ৯ |
| ৯.০ সামৰণি | ৯ |
| সহায়ক গ্ৰন্থপঞ্জী | ১০ |
| সঁজুলি | ১১-১২ |
| চিত্ৰ | ১৩-১৫ |


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# তালিকাসূচী


| তালিকা | পৃষ্ঠা |
|---|---|
| তালিকা নং ১ ঃ অসমত অৱস্থিত পালি বিদ্যালয়সমূহ | ৩ |
| তালিকা নং ২ ঃ মহিলাসকলৰ নমুনা দলৰ তালিকা | ৭ |
| তালিকা নং ৩ ঃ মহিলাৰ আনুষ্ঠানিক শিক্ষাগ্ৰহণত উৎসাহ প্ৰদানৰ উৎস | ৭ |
| তালিকা নং ৪ ঃ মহিলাৰ আনুষ্ঠানিক শিক্ষা সমাপ্তিৰ কাৰণ | ৭ |
| তালিকা নং ৫ ঃ চলাপথাৰ শ্যাম গাঁওৰ মহিলাৰ জীৱিকাত নিয়োজন | ৮ |


## পৰিশিষ্টৰ তালিকা

**সঁজুলি**


পৰিশিষ্ট ১ ঃ চিহ্নাংকনসূচী ১১

পৰিশিষ্ট ২ ঃ প্ৰশ্নসূচী ১২


**চিত্ৰ**


পৰিশিষ্ট ৩ ঃ চলাপথাৰ শ্যাম গাঁওৰ মানচিত্ৰ ১৩

পৰিশিষ্ট ৪ ঃ আলোকচিত্ৰ ১৪-১৫



Head
Deptt. of Education,
H.C.D.G. College, Nitaipukhuri

# পৰিভাষা

কি.মি. — কিলোমিটাৰ
D.Litt. - Doctor of Literature
ITI - Industrial Training Institute
kbvsasun - Kumar Bhaskar Varma Sanskrit and Ancient Studies University
NEP - National Education Policy
ONGCL - Oil and Natural Gas Corporation Limited

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

**১.০ শিৰোনাম ঃ**

চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ দেশীয় পালি শিক্ষা আৰু মহিলাসকলৰ শৈক্ষিক দিশ সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন।

**২.০ আৰম্ভণি ঃ**

অসমত প্ৰচলিত দেশীয় শিক্ষা ব্যৱস্থাৰ অন্যতম শিক্ষানুষ্ঠান হৈছে টোলসমূহ। স্বাধীনোত্তৰ কালত টোলসমূহত সংস্কৃত আৰু পালি ভাষা শিক্ষণৰ ব্যৱস্থা কৰা হৈছিল। এই উদ্দেশ্যে অসমত বৰ্তমান ৭০৯ খন সংস্কৃত আৰু পালি ভাষা শিক্ষণৰ বিদ্যালয়ত উচ্চ মাধ্যমিক পৰ্যায়ৰ শিক্ষা প্ৰদান কৰি অহা হৈছে। পালিভাষা হৈছে বৌদ্ধ ধৰ্মীসকলৰ মাজত প্ৰচলিত এক পৌৰাণিক ভাষা। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত এই বিদ্যালয়সমূহক দেশীয় প্ৰাচীন ভাষা অধ্যয়নকেন্দ্ৰলৈ ৰূপান্তৰিত কৰি চাৰ্টিফিকেট আৰু ডিপ্লমা প্ৰদানৰ কৰ্চ খোলা হৈছে। সেয়ে স্বাধীন অসমৰ আটাইতকৈ প্ৰাচীন পালি টোলখনৰ শৈক্ষিক দিশ তথা ভৱিষ্যত সম্ভাৱনীয়তা সম্পৰ্কে অধ্যয়ন কৰিবলৈ শৈক্ষিক জৰীপ কৰা হৈছে।

সমাজৰ প্ৰগতিত পুৰুষ আৰু মহিলাৰ সমানেই গুৰুত্ব আছে। নাৰীৰো পুৰষৰ সমানে বিভিন্ন ক্ষেত্ৰত যোগ্যতা, ক্ষমতা আৰু প্ৰতিভা দেখা যায়। এখন দেশৰ ভৱিষ্যত প্ৰজন্ম নিৰ্ভৰ কৰে মহিলাসকৰ ওপৰত। নাৰী হৈছে শিশুৰ প্ৰথম শিক্ষক। বৰ্তমান সমাজৰ বিকাশত মহিলা শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰি সাংবিধানিক ব্যৱস্থা আৰু চৰকাৰী কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কিন্তু পৰিতাপৰ বিষয় এয়ে যে, আমাৰ সমাজত এতিয়াও ত্ৰিশ শতাংশ নাৰী অজ্ঞানতাৰ অন্ধকাৰত ডুব গৈ আছে। সমাজৰ উন্নয়নত সক্ৰিয় অংশগ্ৰহণ কৰিব পৰা নাই। ইয়াৰ কাৰণ ফহিয়াই চালে দেখা যায় যে, নিৰক্ষৰতা বা অনগ্ৰসৰতাই হৈছে তাৰ একমাত্ৰ কাৰণ। অৱশ্যে, সাম্প্ৰতিক কালত জনগোষ্ঠীসমূহৰ বহুতো মহিলাই শৈক্ষিক দিশত আগবাঢ়ি অহা পৰিলক্ষিত হয়। তেওঁলোকে আৰ্থিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত পূৰ্বতকৈ আগবাঢ়ি আহিছে আৰু সমাজৰ কুসংস্কাৰ, অন্ধবিশ্বাস আদিও দূৰ হৈছে। এনে দিশসমূহ অধ্যয়নৰ কাৰণে চৰাইদেউ জিলাৰ দিচাং নৈৰ পাৰত অৱস্থিত চলাপথাৰ শ্যাম গাঁওৰ মহিলাসকলৰ শৈক্ষিক দিশ, জীৱিকা আৰু শিক্ষাৰ উত্তৰণৰ ফলত সামাজিক পৰিৱৰ্তনৰ বিষয়ে আলোকপাত কৰিব বিচাৰি প্ৰকল্প অধ্যয়ন কৰা হয়।

**৩.০ অধ্যয়নৰ যুক্তিযুক্ততা ঃ**

চলাপথাৰ শ্যাম গাঁওত অৱস্থিত পালি বিদ্যালয়ৰ শৈক্ষিক দিশ, আন্তঃগাঁথনি আৰু কাৰ্যপন্থাৰ অধ্যয়নে অসমত দেশীয় শিক্ষা ব্যৱস্থাৰ বৰ্তমান আৰু ভৱিষ্যত চাহিদা সম্পৰ্কে জনাত সহায় কৰিব। পালিভাষাৰ অধ্যয়নৰ ভৱিষ্যত সম্ভাৱনীয়তা আৰু দেশীয় শিক্ষা ব্যৱস্থাৰ প্ৰচলন সম্পৰ্কে জানি ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব।

শ্যামসকলৰ আৰ্থ-সামাজিক জীৱন সম্পৰ্কে ব্যক্তিগতভাৱে আৰু আনুষ্ঠানিক ভিত্তিত অধ্যয়ন আৰু পৰ্যবেক্ষণ কাৰ্য সম্পাদিত হৈছে যদিও প্ৰচলিত বৰ্ষত তেওঁলোকৰ সমাজ জীৱন অধ্যয়ন কৰাটো প্ৰয়োজনীয় জ্ঞান কৰি উক্ত অধ্যয়ন সমাপন কৰা হৈছে। বিশেষকৈ পূৰ্বকৃত অধ্যয়নসমূহে টাই খাময়াংসকলৰ শিক্ষা ব্যৱস্থাক সাঙুৰি লোৱা নাই।

বিভিন্ন গৱেষণামূলক অধ্যয়নে উজনি অসমৰ টাই-টুৰুং, টাই-ফাকে আৰু টাই-খামতি আৰু টাই-আহোমসকলৰ সমাজ-জীৱনক স্পৰ্শ কৰিছে যদিও টাই-খাময়াংসকলৰ ভাষা আৰু পৰম্পৰাহে অধ্যয়ন হৈছে। গতিকে, বৰ্তমানৰ প্ৰকল্প অধ্যয়নে এই প্ৰয়োজনীতা পূৰণ কৰিব।

**৪.০ বিষয়বস্তুৰ বিৱৰণ ঃ**

<u>৪.১ চলাপথাৰ শ্যাম গাঁও ঃ</u> চলাপথাৰ শ্যাম গাঁও চৰাইদেউ জিলাৰ দিচাং নৈৰ কাষত অৱস্থিত। এই গাঁও জিলাৰ সদৰ ঠাই সোণাৰিৰ পৰা পশ্চিমে ১৬ কি.মি. দূৰত আৰু শিৱসাগৰ জিলাৰ মাজেদি যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত অৱস্থিত চেপনৰ পৰা দক্ষিণ-পূবে ১৬ কি.মি. দূৰত অৱস্থিত। গাঁওৰ পূবে চফ্ৰাই নৈ, পশ্চিমে চলা চাংমাই গাঁও, উত্তৰে দিচাং নদী আৰু দক্ষিণে উত্তৰ-পূব সীমান্ত ৰেলপথ।

চলাপথাৰ শ্যাম গাঁওৰ সৈতে পূব দিশত চলা গ্ৰাম্য অভয়াৰণ্য নামৰ প্ৰায় ৬৮৩ হেক্টৰ মাটি আগুৰি এখন চৰকাৰী সংৰক্ষিত বনাঞ্চল আছে। এই অভয়াৰণ্য বিভিন্ন প্ৰজাতিৰ অৰ্কিড, পুষ্টিদায়ক শাক-পাত, লুপ্তপ্ৰায় লতিকা আৰু জীৱ-জন্তুৰ বাসভূমি। গাঁওবাসী এই অভয়াৰণ্য সংৰক্ষণ কাৰণে দায়বদ্ধ হৈ থাকে।

বৰ্তমান চলাপথাৰ শ্যাম গাঁওত মুঠ ১২৯ ঘৰ ব্যক্তিয়ে বাস কৰি আছে। গাঁওখনৰ মুঠ জনসংখ্যা ৭৪৩ জন। ইয়াৰ ১২২ জন চাকৰিজীৱী, ১৯২ শিক্ষাৰ্থী, ৩৯৩ জন নিবনুৱা, ৩০ জন বৃদ্ধ-বৃদ্ধা, ১৩ গৰাকী অবিবাহিতা আৰু ৩ গৰাকী বিশেষভাৱে সক্ষম ব্যক্তি। ২০১১ চনৰ লোকপিয়ল অনুসৰি সাক্ষৰতাৰ হাৰ ৭৪.৩ শতাংশ।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

চলাপথাৰ শ্যাম গাঁওৰ লোকসকল হীনযানপন্থী বৌদ্ধধৰ্মী। তেওঁলোকে টাই-খাময়াং জনগোষ্ঠীৰ। গাঁওখন সমতলত অৱস্থিত যদিও ব্যক্তিসকল অনুসূচিত জনজাতি (পৰ্বত)ৰ অন্তভুৰ্ক্ত। সৰহসংখ্যক ব্যক্তি কৃষিজীৱী যদিও সময়ৰ আহ্বানত বহুতে ব্যৱসায়, চাহখেতি, বেচৰকাৰী সেৱাখণ্ড আদি সেৱামূলক কাৰ্যত জড়িত হৈ আছে। শিক্ষিত বহু ব্যক্তি চৰকাৰী চাকৰিয়াল। গাঁওবাসী বিনয়ী, অতিথিপৰায়ণ আৰু বৈজ্ঞানিক মানসিকতা অধিকাৰী।

## ৪.২ টাই খাময়াং বা শ্যাম ঃ

টাই খাময়াং হৈছে দক্ষিণ-পূব এছিয়াত বসতি কৰা এক বৃহৎ জনগোষ্ঠী টাইসকলৰ এটা সম্প্ৰদায় বা ভাগ। ইতিহাস অনুসৰি টাইসকল দক্ষিণ চীনৰ পৰা মেকং-মেনাম উপত্যকা পৰ্যন্ত বিয়পি পৰিছিল। টাইসকলৰ বৃহৎ ঠাল লাও-পুং-ডাম শাখাৰ লোকসকল বসবাস কৰা সমৃদ্ধিশালী ম্যং-টাই বা মুংকঙ ৰাজ্যখনক শ্যামদেশ নামেৰে জনা গৈছিল। তাৰ পৰা বহুতো শ্যামলোক উঠি আহি পাটকাই পৰ্বতৰ সিপাৰে খামজাং ৰাজ্যত বাস কৰিছিল। ম্যানমাৰত তেওঁলোকক শ্যাম বুলি জনা যায়। মানদেশৰ পৰা অহা প্ৰথম টাই লোকসকলেই হৈছে টাই খাময়াংসকল। খামজাং 'দ' ঠাই হোৱাৰ কাৰণে পৰ্বতীয়া শ্যানসকলে তেওঁলোকক মানভাষাত ন'-ৰা নামেৰে অভিহিত কৰিছিল। প্ৰথমতে আহোম স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত এওঁলোকে তিতাবৰ, খৰিকটীয়া, টেঙাপানী আদি অঞ্চলত বসতি কৰিছিল। ইয়াৰে কিছুলোক উঠি আহি বিভিন্ন ঠাইত বসতি কৰাৰ ফলত বৰ্তমান অসমৰ তিনিচুকীয়া, গোলাঘাট, যোৰহাট আৰু চৰাইদেউ জিলাৰ মুঠ ১০ খন গাঁওত টাই খাময়াং জনগোষ্ঠীৰ ব্যক্তিয়ে বসবাস কৰে। উত্তৰ-পূৰ্ব্বাঞ্চলত মুঠ ছটা টাই সম্প্ৰদায়ৰ লোক আছে। টাই ভাষাত খাম মানে 'সোণ' আৰু য়াং মানে 'থকা' অৰ্থাৎ সোণ থকা ঠাই। টাই খাময়াংসকলৰ ৯ টা বংশ বা ঠাল দেখা যায়। যেনে — পাংয়ুক, চাউলু, চাউলিক, ফালেক, চ'চঙ, থাউমুং, চ'চাই, টুংখাং আৰু ৰাইলুং।

### ধৰ্মবিশ্বাস ঃ

শ্যামসকল থেৰাবাদী (হীনযানপন্থী) বৌদ্ধধৰ্মীয় লোক। তেওঁলোকে সকলো ধৰ্মীয় অনুষ্ঠানত বুদ্ধদেৱৰ অহিংসা নীতিৰ স্মৃতিচাৰণ কৰে। বৌদ্ধবিহাৰ তেওঁলোকৰ ধৰ্মীয় অনুষ্ঠান। বৌদ্ধবিহাৰত থকা বৌদ্ধভিক্ষু অৰ্থাৎ ভান্তেৰ প্ৰতি সকলোৰে অপৰিসীম শ্ৰদ্ধা কৰে।

### উৎসৱ-পাৰ্বন ঃ

টাই-খাময়াংসকলৰ প্ৰতিটো উৎসৱ বুদ্ধদেৱৰ জীৱন আৰু নীতি গাঁথাৰ আধাৰিত। তেখেতসকলে পূৰ্ণিমা তিথিত উৎসৱসমূহ পালন কৰে। প্ৰতিটো উৎসৱতে সমজুৱাকৈ বুদ্ধদেৱৰ জীৱন আৰু আদৰ্শ প্ৰতি মহানুভৱতা প্ৰকাশ কৰে। টাই খাময়াং সকলৰ প্ৰধান উৎসৱ হৈছে — বুদ্ধ পূৰ্ণিমা (ব'হাগী পূৰ্ণিমাত ভগৱান বুদ্ধক পূজা), পয়চাংকেন (চ'ত মাহৰ সংক্ৰান্তিত তিনিদিন ধৰি 'চনফা' স্নানপৰ্বৰ যোগেদি বুদ্ধ মূৰ্ত্তি স্নান আৰু পূজা), বৰ্ষাব্ৰত (শাওণ মাহৰ পৰা আহিন মাহৰ পূৰ্ণিমা তিথিলৈকে বৌদ্ধবিহাৰৰ ভিক্ষু আৰু গাঁওৰ বয়োজেষ্ঠসকলে অষ্টশীল নীতি পালনৰ জৰিয়তে কৰা ব্ৰত), পয় পি মাও (নৱেম্বৰ মাহত অনুষ্ঠিত নৱবৰ্ষ), মাই-কু-চোং-ফাই (মাঘী পূৰ্ণিমাত অনুষ্ঠিত), মঙ্গলা মুং (গ্ৰাম্য সুৰক্ষাৰ্থে), চম চাংকেন(গাঁওবাসীৰ মঙ্গল কামনাৰ্থে), পয় লুন চি টিপং (ফাগুণৰ পূৰ্ণিমা), পয় পি মাও (পৰম্পৰাগত সামুহিক উৎসৱ) আদি।

তেওঁলোকে বৌদ্ধবিহাৰত দান বৰঙণি, ফুলৰ থোপা, অনুদান, মম, ধূপ আদিৰে নৈবদ্য, বস্ত্ৰ ইত্যাদি দান কৰে।

### নৃত্যগীত ঃ

টাই খাময়াংসকলৰ পৰম্পৰাগত নৃত্যক কাঠুং টাই বুলি কোৱা হয়। তেওঁলোকে ধৰ্মীয় অনুষ্ঠানত পালি গাঁথা আৰু অসমীয়া ভাষাতো বুদ্ধ প্ৰশস্তি গায়। বিবাহ অনুষ্ঠান আৰু সাংস্কৃতিক অনুষ্ঠানত বৌদ্ধ গীত, বিয়ানাম পৰিৱেশন কৰে। তেওঁলোকৰ পৰম্পৰাগত ঢোল, তাল, বেল, পেঁপা বাদ্যযন্ত্ৰ সংগত কৰে।

### ভাষা ঃ

টাই খাময়াংসকল চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত। তেওঁলোক মান-টাই ভাষী। তেওঁলোকৰ লিপি মূলতঃ ব্ৰাহ্মী লিপিৰ অন্তৰ্গত। এই লিপি ঘূৰণীয়া আৰু আগ দুটা পাক খোৱা।

### সমাজব্যৱস্থা ঃ

টাই খাময়াংসকলৰ মাজত পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থা প্ৰচলিত। সন্তানে পিতৃপ্ৰদত্ত উপাধি লয়। তেওঁলোকে পৰম্পৰাগত সাজপাৰ পৰিধান কৰে। তেওঁলোকৰ একে গোত্ৰৰ মাজত বিবাহ নহয়। টাই খাময়াংসকলৰ মূল আহাৰ ভাত আৰু লগত হাবিত পোৱা শাক-পাচলি বেছিকৈ ব্যৱহাৰ কৰে।

Deptt. of Education
H.C.D.G. College, Nitaipukhuri

## ৪.৩ দেশীয় পালি শিক্ষা ঃ

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পূৰ্বে অসম প্ৰদেশত দেশীয় শিক্ষা ব্যৱস্থা প্ৰচলন আছিল। অসমৰ বিভিন্ন অঞ্চলত স্থানীয় প্ৰয়োজনীয়তা অনুসৰি টোল, সংস্কৃত বিদ্যালয়, পাঠশালা, চতুষ্পাঠী, বিদ্যাপীঠ, বিদ্যানিকেতন আদি প্ৰতিষ্ঠা কৰা হৈছিল। এনে শিক্ষানুষ্ঠানসমূহ ধৰ্মীয় অনুষ্ঠানৰ সৈতে সংগতি ৰাখি প্ৰতিষ্ঠা কৰা হৈছিল আৰু ধৰ্মীয় ব্যক্তিয়ে আৰ্থিক সাহায্য আগবঢ়াইছিল। ইয়াৰ শিক্ষকসকল বিদগ্ধ পণ্ডিত আছিল আৰু শিক্ষাৰ্থীসকলে বিনামূলীয়াকৈ শিক্ষা গ্ৰহণ কৰিছিল। স্বাধীনোত্তৰ কালতো এনে শিক্ষানুষ্ঠান অসমত প্ৰতিষ্ঠা হয় আৰু বৰ্তমানলৈকে পৰম্পৰাগত শিক্ষা সম্প্ৰসাৰণত অৰিহণা যোগাই আহিছে। বৰ্তমানলৈকে প্ৰচলিত এনে দেশীয় শিক্ষানুষ্ঠান সমূহ ২০২০ চনত নলবাৰীত অৱস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয় প্ৰশাসনৰ অন্তৰ্গত কৰা হয়। ২০২১ চনত এই বিশ্ববিদ্যালয়ৰ অধীনত প্ৰৱেশিকা পৰীক্ষাৰ কাৰণে আবেদন কৰা শিক্ষানুষ্ঠানৰ সংখ্যা ৭০৯ খন। ইয়াৰে গৰিষ্ঠ সংখ্যক বিদ্যালয়ে সংস্কৃত শিক্ষা প্ৰদান কৰে। ১১ খন বিদ্যালয়ে পালি-প্ৰাকৃত ভাষা শিক্ষা প্ৰদানত অৰিহণা যোগাই আহিছে। অসমত বৰ্তমানলৈকে প্ৰচলিত পালি বিদ্যালয়সমূহ হৈছে —

**তালিকা নং ১ ঃ অসমত অৱস্থিত পালি বিদ্যালয়সমূহ**

| ক্ৰঃ নং | বিদ্যালয়ৰ নাম | জিলা | স্থাপন কাল | চৰকাৰী/ বেচৰকাৰী |
|---|---|---|---|---|
| ১. | চলা জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয় | চলা শ্যাম গাঁও | ১৯৪৮ | চৰকাৰী প্ৰাদেশীকৃত |
| ২. | ৰত্নাকুৰ পালি টোল | জ্যোতিনগৰ লাহোৱাল, ডিব্ৰুগড় | ১৯৫২ | চৰকাৰী |
| ৩. | ভাৰতী পালি টোল | ৰজাবাৰী, যোৰহাট | ১৯৫৯ | চৰকাৰী |
| ৪. | টিপাম ফাকিয়াল পালি টোল | ডিব্ৰুগড় | ১৯৬৩ | চৰকাৰী |
| ৫. | ডিবং পালি বিদ্যালয় | তিনিচুকীয়া | ১৯৭৭ | চৰকাৰী |
| ৬. | মহাবুধি পালি বিদ্যালয় | যোৰহাট | ১৯৯৬ | বেচৰকাৰী |
| ৭. | ডিফু পালি বিদ্যালয় | কাৰ্বি আংলং | ১৯৯৯ | বেচৰকাৰী |
| ৮. | বালিজান পালি বিদ্যালয় | যোৰহাট | ২০০৮ | বেচৰকাৰী |
| ৯. | দেৰগাঁও পালি বিদ্যালয় | কাৰ্বি আংলং | — | বেচৰকাৰী |
| ১০. | ৰাজাপুখুৰী পালি বিদ্যালয় | গোলাঘাট | — | বেচৰকাৰী |
| ১১. | বালিপথাৰ পালি বিদ্যালয় | কাৰ্বি আংলং | — | বেচৰকাৰী |

পালি বিদ্যালয়সমূহ বৌদ্ধ মঠ বা বিহাৰৰ সৈতে সংযোজিত হৈ থাকে। আগৰ দিনত সংস্কৃত ভাষা শিকোৱা শিক্ষানুষ্ঠানকহে টোল বুলি কোৱা হৈছিল যদিও চীনা পৰিব্ৰাজকৰ টোকা অনুসৰি পালি ভাষাত শিক্ষা প্ৰদান কৰা মহাযানপন্থী শিক্ষানুষ্ঠানটো সংস্কৃতভাষা শিকোৱা হৈছিল। সেয়ে পালি বিদ্যালয়কো 'টোল' নামকৰণ কৰাৰ থল আছে।

## ৪.৪ মহিলা শিক্ষা ঃ

সমাজৰ মহিলাসকলে আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ জৰিয়তে সাক্ষৰ আৰু শিক্ষিত হোৱাকে মহিলা শিক্ষা বুলি ক'ব পাৰি। উক্ত অধ্যয়নত চলা পথাৰ শ্যাম গাঁওৰ সাক্ষৰ মহিলাসকলক সাঙুৰি লোৱা হৈছে।

## ৫.০ অধ্যয়নৰ উদ্দেশ্য ঃ

প্ৰকল্পৰ বিষয়বস্তু অধ্যয়নৰ কাৰণে নিম্নোক্ত উদ্দেশ্য নিৰ্ধাৰণ কৰা হৈছে—

ক) চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওত অৱস্থিত পালি বিদ্যালয়ৰ পৰম্পৰাগত পালি শিক্ষা ব্যৱস্থা সম্পৰ্কে অধ্যয়ন কৰা।

খ) চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ মহিলাসকল শৈক্ষিক দিশ সম্পৰ্কে বিশ্লেষণ কৰা।

## ৬.০ পদ্ধতি আৰু নিয়ম প্ৰণালী ঃ

প্ৰকল্পৰ নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্য বৰ্ণনামূলক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। ক্ষেত্ৰভিত্তিক জৰীপ কৰি অধ্যয়নৰ সমল সংগ্ৰহ কৰা হৈছে।

## ৬.১ জন সমষ্টি আৰু নমুনা দল ঃ

পালি শিক্ষা সম্পৰ্কে তথ্য আহৰণৰ কাৰণে পালি বিদ্যালয়ত কৰ্মৰত চাৰিজন শিক্ষকৰ ভিতৰত অধ্যাপকক প্ৰতিদৰ্শ হিচাপে নিৰ্বাচন কৰা হৈছে।

চৰাইদেউ দিলাৰ চলাপথাৰ শ্যাম গাঁওৰ মুঠ জনসংখ্যা ৭৪৩ জন। তাৰে ৩৬১ জন পুৰুষ আৰু ৩৮২ গৰাকী মহিলা।

Head
Deptt. of Education
...D.C. College, Nitaipukhuri

উক্ত জনসমষ্টিৰ পৰা অধ্যয়নৰ উদ্দেশ্য আৰু নিজস্ব সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি (Incidental sampling) ৩৭ গৰাকী মহিলাক নমুনা দল হিচাপে নিৰ্বাচন কৰা হৈছে।

**৬.২. সঁজুলি আৰু কৌশল ঃ**

প্ৰকল্পৰ তথ্য সংগ্ৰহ কৰিবলৈ প্ৰস্তুতকৰ্তাই নিজে সঁজুলি প্ৰস্তুত কৰি নমুনা দলৰ ওপৰত প্ৰয়োগ কৰা হৈছে—

**ক) চিহ্নাংকন সূচী (Checklist) ঃ** চলাপথাৰ শ্যাম গাঁওত অৱস্থিত শিক্ষাব্যৱস্থা সম্পৰ্কে তথ্য আহৰণ কৰিবলৈ প্ৰধান অধ্যাপকক বৈষয়িক সম্পদ, পাঠ্যক্ৰম, শৈক্ষিক কাৰ্যসূচী আৰু মানব সম্পদ সম্পৰ্কে তথ্য প্ৰদানৰ এখন চিহ্নাংকন সূচী প্ৰস্তুত কৰা হয়।

**খ) প্ৰশ্নসূচী (Questionnaire) ঃ** চলাপথাৰ শ্যাম গাঁওৰ মহিলাসকলৰ শৈক্ষিক দিশ সম্পৰ্কে অধ্যয়ন কৰিবলৈ ১৫ টা প্ৰশ্ন সম্বলিত এখন প্ৰশ্নসূচী প্ৰস্তুত কৰা হয়। প্ৰশ্নসূচীত তিনিটা কাৰক — শিক্ষা, জীবিকা আৰু সামাজিক পৰিৱৰ্তন বিষয়ত প্ৰশ্ন অন্তভূৰ্ক্ত কৰা হৈছে। ইয়াৰ ১৪ টা বদ্ধ আকৃতিৰ আৰু ১ টা মুক্ত আকৃতিৰ প্ৰশ্ন।

**৬.৩ তথ্য সংগ্ৰহ প্ৰণালী ঃ**

প্ৰকল্প প্ৰস্তুতকৰ্তাই তথ্যৰ উৎস হিচাপে প্ৰাথমিক উৎস আৰু গৌণ উৎসৰ সহায় লৈছে। প্ৰকল্প প্ৰস্তুতকৰ্তাই চলাপথাৰ শ্যাম গাঁওলৈ তথ্য সংগ্ৰহৰ কাৰণে ২ জুন ২০২২ত উপস্থিত হৈছিল। নিৰ্বাচিত নমুনা দলক স্বনিৰ্মিত সঁজুলিসমূহ প্ৰয়োগ কৰোতে নিৰ্দেশনা অনুসৰি নিজে পূৰণ কৰি অধ্যয়নকাৰীৰ হাতত জমা দিবলৈ অনুৰোধ কৰা হৈছে। গৌণ উৎস হিচাপে অধ্যয়নকাৰীয়ে টাই খাময়াং সম্প্ৰদায়ৰ সম্পৰ্কে বিভিন্ন আলোচনী, গ্ৰন্থ আৰু ইন্টাৰনেট উৎসত প্ৰাপ্ত তথ্যৰ সহায় লোৱা হৈছে।

**৬.৪ তথ্য বিশ্লেষণ প্ৰণালী ঃ**

সংগ্ৰহীত তথ্য বিশ্লেষণ কৰিবলৈ সাংখ্যিক গণনা আৰু শতাংশ হাৰ নিৰূপণ প্ৰণালী অৱলম্বন কৰা হৈছে। প্ৰ-পত্ৰৰ তথ্যসমূহ তালিকা কৰি বাৰংবাৰতা নিৰ্ণয় কৰা হৈছে।

**৬.৫. অধ্যয়নৰ সীমাবদ্ধতা ঃ**

প্ৰকল্পৰ সীমাবদ্ধতাসমূহ হৈছে —

ক) চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওত অধ্যয়নৰ পৰিসৰ সীমাবদ্ধ কৰা হৈছে।

খ) অধ্যয়নৰ কাৰণে কেৱল চলাপথাৰ জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয় নিৰ্বাচন কৰা হৈছে।

গ) উক্ত অধ্যয়নত কেৱল চলাপথাৰ শ্যাম গাঁওত বাস কৰা টাই খাময়াং সম্প্ৰদায়ৰ মহিলাসকলক সাঙুৰি লোৱা হৈছে।

ঘ) উক্ত অধ্যয়নৰ সময়সীমা কেৱল ২০২২ চন নিৰ্ধাৰণ কৰা হৈছে।

**৭.০ তথ্য বিশ্লেষণ আৰু উপস্থাপন ঃ**

চলাপথাৰ গাঁওত অধ্যয়নকাৰীৰ সংগ্ৰহীত তথ্যসমূহ নিম্নোক্ত ভাগত বিশ্লেষণসহ উপস্থাপন কৰা হ'ল —

**৭.১ চলাপথাৰ শ্যাম গাঁওৰ দেশীয় পালি শিক্ষা ব্যৱস্থা ঃ**

**চলা জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয় ঃ**

চলা জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয় চৰাইদেউ জিলাৰ চলা শ্যাম নৰা গাঁওত অৱস্থিত। এই বিদ্যালয় স্বাধীনোত্তৰ কালত স্থাপিত সবাতোকৈ পুৰণি পালি বিদ্যালয়। এই বিদ্যালয় ১৯৪৮ চনত স্থাপন হয় আৰু ১৯৫১ চনত স্বীকৃতি লাভ কৰে। ১৯৬৪ চনত এই বিদ্যালয় উচ্চ পৰ্যায়লৈ উন্নীত কৰাৰ পাছত ২০০১ চনত প্ৰাদেশীকৰণ হয়। ২০১৭ চনলৈকে এই বিদ্যালয় অসম সংস্কৃত ব'ৰ্ডৰ অধীনত আছিল। ২০১৭ চনৰ পৰা এই বিদ্যালয় নলবাৰীস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ অন্তৰ্গত হয়। এই বিদ্যালয়ৰ প্ৰথমজন প্ৰধান অধ্যাপক আছিল বুদ্ধ দত্ত ভিক্ষু। বৰ্তমানৰ প্ৰধান অধ্যাপকৰ নাম শ্ৰী ধ্ৰুৱজ্যোতি শ্যাম।

চলা শ্যাম গাঁওৰ মধ্যস্থানত চলা বৌদ্ধ মঠ আছে। এই মঠ থাই ভাস্কৰ্য শৈলীত নিৰ্মাণ কৰা হৈছে। মঠৰ লগতে চলা জ্ঞানোদয় পালি বিদ্যালয়, চলাপথাৰ বৌদ্ধ মঠ আৰু সাংস্কৃতিক কেন্দ্ৰ (১৯৯৩ স্থাপিত), এটা পৰ্যটন গৃহ আৰু এটা গ্ৰন্থাগাৰ আছে।

চলা জ্ঞানোদয় পালি বিদ্যালয়ৰ শৈক্ষিক উত্তৰণৰত ইয়াৰ পঞ্চমজন প্ৰধান অধ্যাপক ভদন্ত শাসনবংশ ভিক্ষুৰ (১৯৬০-২০০১)ৰ বৰঙণি অতি লেখত ল'বলগীয়া। সৰ্বোচ্চ জ্ঞান আহৰণ কৰাৰ কাৰণে তেখেতক 'মহাথেৰ উপাধি' প্ৰদান কৰা হয়।

**ভৌতিক সম্পদ ঃ** চলা জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয়ৰ মাটিৰ পৰিমাণ ৫ বিঘাতকৈ কম। বিদ্যালয় গৃহ পকা আৰু

Head
Deptt. of Education
M.C.D.C. College, Nitaipukhuri

অসম আৰ্হিৰ টিনপাত দিয়া। বিদ্যালয়ত ৪ টা কোঠা আছে। তাৰে এটা কোঠা অধ্যক্ষৰ কাৰণে, ১ টা শিক্ষকৰ কাৰণে আৰু দুটা শ্ৰেণীকোঠা হিচাপে ব্যৱহাৰ হয়। ছাত্ৰ আৰু ছাত্ৰীৰ কাৰণে দুটা সুকীয়া প্ৰস্ৰাৱগাৰ আছে। পৰিষ্কাৰ খোৱা পানী আৰু বিজুলীৰ সুব্যৱস্থা আছে। ছাত্ৰ-ছাত্ৰীৰ কাৰণে খেলপথাৰ, প্ৰয়োগশালা, কম্পিউটাৰ শিক্ষা, বিনোদনমূলক কাৰ্যাৱলীৰ কোনো ব্যৱস্থা নাই।

শ্ৰেণীকোঠাত পৰ্যাপ্ত ডেস্ক-বেঞ্চ, টেবুল-চকীৰ ব্যৱস্থা আছে। কোঠাসমূহত বতাহ আৰু পোহৰৰো সুব্যৱস্থা আছে। বিদ্যালয়খনত মুঠতে ৪ খন ব্লেকব'ৰ্ড আছে। পাঠদানৰ কাৰণে অন্য প্ৰযুক্তিগত শিক্ষণ সঁজুলি ব্যৱহাৰ কৰা নহয়।

**গ্ৰন্থাগাৰ ঃ**

চলা জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয়ত এটা আটকধুনীয়া, আহল-বহল কোঠাত গ্ৰন্থাগাৰ আছে। এই গ্ৰন্থাগাৰ ১৯৪৮ চনত প্ৰতিষ্ঠিত। গ্ৰন্থাগাৰত ৫০০-১০০০ পৰ্যন্ত গ্ৰন্থ সংৰক্ষণ কৰা হৈছে। সৰহ সংখ্যক গ্ৰন্থই বৌদ্ধ দৰ্শন সম্বন্ধীয়। এই গ্ৰন্থাগাৰত থকা পুথিৰ ভিতৰত পালি সাহিত্যৰ বুৰঞ্জী, শাসন বংশ বুৰঞ্জী, বিশুদ্ধিমাৰ্গ প্ৰথম আৰু দ্বিতীয় খণ্ড, তাই খাময়াং বুৰঞ্জী, ত্ৰিপিটক, মধ্য যুগীয় বৌদ্ধ ধৰ্মীয় পুথি চিত্ৰ, ফুংচিন, ফেলং আৰু অন্যান্য বৌদ্ধ ধৰ্মীয় পালি ভাষাত ৰচিত পুথিয়ে প্ৰধান। ছাত্ৰ-ছাত্ৰী আৰু পঢ়ুৱৈয়ে বহি পঢ়িবলৈ টেবুল-চকীৰো সুব্যৱস্থা আছে। বিদ্যালয় কৰ্তৃপক্ষই এই গ্ৰন্থাগাৰৰ তদাৰক কৰে।

গ্ৰন্থাগাৰ কোঠাৰ ভিতৰতে এক সংগ্ৰাহালয় আছে যি বৌদ্ধ সংস্কৃতিৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰে। গ্ৰন্থাগাৰ আৰু সংগ্ৰাহালয়ৰ সংৰক্ষিত তথ্যসমূহ গৱেষণাৰ সমল। সংগ্ৰহালয়ত ১৯৪৮ চনত বিদ্যালয়খন স্থাপন হোৱাৰ পৰা বৰ্তমান বৰ্ষলৈকে অহা প্ৰতিজন অতিথিৰ স্বাক্ষৰ সম্বলিত শুভেচ্ছাবাণী বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰি ৰখা হৈছে। তদুপৰি অলেখ শৰাই, সঁফুৰা, বৌদ্ধমূৰ্তি, ফুলৰ থোপা, ভিক্ষাপাত্ৰ, ধৰ্মীয় কাৰ্যত ব্যৱহৃত কাঠৰ সঁজুলি, গামোচা, শ্যামসকলৰ পৰম্পৰাগত বস্ত্ৰ, দান অনুষ্ঠানত পোৱা বৰগুণি, পূজাৰ সামগ্ৰী, কাপোৰত চিত্ৰায়ন কৰা বৌদ্ধ ধৰ্মীয় নানা আখ্যান, ধৰ্ম পতাকা 'টংকা' আদি সংৰক্ষণ কৰি ৰখা হৈছে। ONGCLয়ে তেওঁলোকক আলমিৰা দান হিচাপে আগবঢ়াইছে। গ্ৰন্থগাৰৰ অন্যতম আকৰ্ষণ হৈছে - ভদন্ত ড° শাসন বংশ মহাথেৰদেৱে জীৱনকালত কৰ্ম কৃতিত্বৰ কাৰণে পোৱা বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে আগবঢ়োৱা সন্মান আৰু উপহাৰ বৃথিকাৰ সুসজ্জিত আৰু প্ৰণালীবদ্ধ সংৰক্ষণ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০১৪ চনত চতুৰ্দশ সংখ্যক সমাৱৰ্তনত তেখেতক সন্মানীয় ডি. লিট. (D.Litt.) উপাধি প্ৰদান কৰিছিল।

**শিক্ষক ঃ** এই বিদ্যালয়ত অসম প্ৰাদেশীকৃত সংস্কৃত আৰু পালি শৈক্ষিক অনুষ্ঠান আইন, ২০১২ অনুসৰি প্ৰধান অধ্যাপকসহ চাৰিজন শিক্ষক নিযুক্ত হৈ আছে। পালি বিষয়ৰ ২জন, এজন বিজ্ঞান স্নাতক আৰু এজন কলা স্নাতক। তদুপৰি MENIAL হিচাপে এখন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছে।

**শিক্ষাৰ্থী ঃ** বিদ্যালয়ত সহ শিক্ষাৰ ব্যৱস্থা আছে। বিদ্যালয়ত নৱম আৰু দশম দুটা শ্ৰেণী আছে। শ্যাম গাঁওৰ উপৰিও সোণাৰি, কাষৰীয়া অঞ্চল, অন্য জিলা আৰু চাহ বাগান অঞ্চলৰ পৰাও ছাত্ৰ-ছাত্ৰী অধ্যয়ন কৰিবলৈ আহে।

**পাঠ্যক্ৰম ঃ** পালি বিদ্যালয়ত শৈক্ষিক বৰ্ষ আগষ্টত আৰম্ভ হয়। বিদ্যালয়ত পালি ভাষাৰ তিনিটা পাঠ্যক্ৰম আছে। এই তিনিটা পাঠ্যক্ৰমৰ চূড়ান্ত পৰীক্ষাসমূহ জুলাই মাহত অনুষ্ঠিত হয়।

**পালি প্ৰৱেশিকা (সুত্ত পিটক)ঃ** সুত্তৰ অৰ্থ হৈছে আখ্যান। এই পাঠ্যক্ৰমত বুদ্ধদেৱৰ ভাষণ আৰু কথোপকথন অন্তভুৰ্ক্ত কৰা হৈছে।

**পালি মধ্যমা (বিনয় পিটক)ঃ** এই পাঠ্যক্ৰমত যাজকীয় অনুশাসন অৰ্থাৎ সংযত ভিক্ষুসকলে পালন কৰিব লগা নিয়ম-কানুন আৰু সংযত প্ৰৱেশৰ নীতি-নিয়ম অধ্যয়ন কৰা হয়।

**পালি শাস্ত্ৰী(অভিধৰ্ম্ম পিটক)ঃ** এই পাঠ্যক্ৰম হৈছে শাস্ত্ৰীয় বচন বা ধৰ্ম্মমত। ইয়াত মনোবৈজ্ঞানিক নীতিশাস্ত্ৰ, পৰাবিজ্ঞান আৰু দৰ্শনৰ আলোচনা অন্তভুৰ্ক্ত কৰা হৈছে।

সময়ৰ লগে লগে পালি বিদ্যালয়ক ধৰ্মনিৰপেক্ষ বিষয়ৰো অন্তভুৰ্ক্ত হয়। বৌদ্ধ সংঘৰ নিয়ম অনুসৰি সদাচাৰ আৰু বিনয়ী আচৰণ অনুসৰণ কৰিব লাগে। তেওঁলোকে তিনিটা নীতি- বুদ্ধং শৰণম্ গচ্ছামি (বুদ্ধৰ আদৰ্শৰ শৰণাগত হোৱা), ধৰ্ম্মম শৰণম্ গচ্ছামি (বৌদ্ধ ধৰ্মৰ দীক্ষা গ্ৰহণ) আৰু সংযম শৰণম্ গচ্ছামি (সংযম নিয়মৰ অনুগত হোৱা) মানি চলিব লাগে।

**শিক্ষাৰ মাধ্যম ঃ**

পালি বিদ্যালয়সমূহত পূৰ্বতে পালি-প্ৰাকৃত ভাষাত শিক্ষা প্ৰদান কৰা হৈছিল। বৰ্তমান পালি বিদ্যালয়ৰ মাধ্যম অসমীয়া।

**শিক্ষাদান পদ্ধতি ঃ**

বক্তৃতা, আলোচনা পদ্ধতি আৰু লিখন কৌশল প্ৰয়োগ কৰি শিক্ষকে ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰে।

Head
Deptt. of Education
H.C.D.G. College

**গুৰু শিষ্যৰ দায়িত্ব ঃ**

এই বিদ্যালয়ত গুৰু আৰু শিষ্যৰ সম্পৰ্ক মধুৰ। বিদ্যালয়ৰ সৈতে সংলগ্ন এক কোঠাত বৌদ্ধ পুৰোহিত বাস কৰে। তেখেতক ভান্তে বুলি কোৱা হয়। ভান্তেজন বৌদ্ধ সংস্কৃতিৰ ৰক্ষক আৰু বৌদ্ধশিক্ষাৰ উৎস স্বৰূপ। তেখেত পাৰ্থিৱ সংসাৰৰ পৰা আঁতৰি বিহাৰত বাস কৰে আৰু সাত্বিক আহাৰ গ্ৰহণ কৰে। তেখেতে দুখ-নিবৃত্তিক উপায় হিচাপে অষ্টাঙ্গিক মাৰ্গ (Noble eightfold path) মানি চলে। শিক্ষাৰ্থীসকলে তেখেতক যথেষ্ট সন্মান কৰে। তেখেতে তিনিখন উজ্জ্বল গেৰুৱা বৰণৰ বস্ত্ৰ পৰিধান কৰে — এখন অন্তৰ বস্ত্ৰ, এখন মধ্যমান আৰু এখন উত্তৰীয় বা চাঙকেন।

**সংস্কৃত-পালি প্ৰৱেশিকা পৰীক্ষা ঃ**

শিক্ষাৰ্থীসকলে ইংৰাজী, আধুনিক ভাৰতীয় ভাষা (অসমীয়া/বেঙ্গলী), সাধাৰণ বিজ্ঞান, সমাজ অধ্যয়ন, সাধাৰণ গণিত আৰু পালিভাষাৰ পাঠ্যক্ৰমৰ পৰীক্ষা দিব লাগে। পূৰ্বতে ২০১৭ চনলৈকে অসম সংস্কৃত ব'ৰ্ডৰ অধীনত শৈক্ষিক কাৰ্য ব্যৱস্থা পৰিচালিত হৈছিল। ২০১৭ চনৰ পৰা কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ে অসম চৰকাৰৰ স্বীকৃতি লাভ কৰি দেশীয় বিদ্যালয়সমূহৰ শৈক্ষিক কাৰ্য পৰিচালনা কৰিবলৈ লোৱাৰ পৰা এই বিশ্ববিদ্যালয়ৰ পৰা প্ৰৱেশিকা, মধ্যমা আৰু শাস্ত্ৰী পৰীক্ষাৰ মানপত্ৰ (Praveshika Examination of Traditional Sanskrit (including Pali) Examination) প্ৰদান কৰা হয়। ২০১৯ চনত এই বিশ্ববিদ্যালয়ে ভাৰতীয় বিদ্যালয় শিক্ষাবোৰ্ড মণ্ডলৰ সদস্য হয়। ২০২২ বৰ্ষত এই বিদ্যালয়ৰ পৰা অন্তিমবাৰৰ কাৰণে ৫৬ জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰৱেশিকা অৱতীৰ্ণ হয়।

**বৌদ্ধিক কাৰ্যাৱলী ঃ**

পালি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বোধিদ্ৰুম নামৰ প্ৰথম হাতেলিখা প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰে। ২০২২ বৰ্ষত এই পত্ৰিকাৰ অষ্টম সংখ্যা উন্মোচন কৰে ধৰ্মৰত্ন ড° শাসন বংশ মহাথেৰ দেৱে।

তেওঁলোকৰ বিদ্যালয়ত স্থানীয় বেচৰকাৰী সংস্থা Namu Budha ই দক্ষিণ কোৰিয়াৰ বেচৰকাৰী সংস্থা Sejong Paramita ৰ সৈতে ২০১৩ বৰ্ষৰ পৰাই সাংস্কৃতিক বিনিময় কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। বৌদ্ধ বিহাৰত প্ৰতিবছৰে ধৰ্মীয় অনুষ্ঠানত গীত পৰিৱেশন আৰু আনন্দ উল্লাস হয়। বিদ্যালয়লৈ আৰু বৌদ্ধ বিহাৰলৈ কোৰিয়া, থাইলেণ্ড, ম্যানমাৰ, চীন, জাপান, আমেৰিকা যুক্তৰাষ্ট্ৰ, যুক্তৰাজ্যৰ আদি দেশৰ পৰা বিদেশী পৰ্যটক আৰু বিভিন্ন ৰাজ্যৰ দেশী পৰ্যটকৰ প্ৰতিবছৰে পৰিভ্ৰমণ, পৰ্যবেক্ষণ তথা বৌদ্ধ সংস্কৃতি অধ্যয়নৰ উদ্দেশ্যে আগমন ঘটে।

**ভৱিষ্যত কাৰ্যপন্থা ঃ**

বৰ্তমান এই বিদ্যালয়ৰ শৈক্ষিক পাঠ্যক্ৰম ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ৰ অধীনত পৰিবৰ্তন কৰা হৈছে। ২০২৩ বৰ্ষৰ পাছত এই বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ কোনো সুবিধা নাথাকে। অসমৰ শিক্ষাবিভাগে বিদ্যালয়খনক অধ্যয়নকেন্দ্ৰলৈ ৰূপান্তৰিত কৰি চাৰিটা পাঠ্যক্ৰমত চাৰ্টিফিকেট আৰু ডিপ্ল'মা প্ৰদানৰ ব্যৱস্থা কৰিছে। পাঠ্যক্ৰম কেইটা হৈছে -

**ক) বৌদ্ধ অধ্যয়ন আৰু বিপাশনা (ধ্যান)**

**খ) বিনয় বিভূশন**

**গ) অভিধম্ম বিভূষণ (ছয়মহীয়া ডিপ্ল'মা ক'ৰ্চ)**

**ঘ) পালি ভাষা সাহিত্য (চাৰ্টিফিকেট ক'ৰ্চ)**

NEP, 2020ৰ অধীনত অসম চৰকাৰৰ সিদ্ধান্ত অনুসৰি সংস্কৃত টোল, পালি বিদ্যালয়, মাদ্ৰাছা আদি দেশীয় শিক্ষানুষ্ঠানৰ বিলোপ সাধন কৰা হৈছে।

**৭.২ চলাপথাৰ শ্যাম গাঁওৰ মহিলাসকলৰ শৈক্ষিক দিশ ঃ**

**৭.২.১ শিক্ষা ঃ** চলাপথাৰ শ্যাম গাঁওত দুখন প্ৰাথমিক বিদ্যালয় অৱস্থিত — ১৫৫ নং চলাপথাৰ প্ৰাথমিক বিদ্যালয় (১৯১৮) আৰু চলাপথাৰ গড়মূৰ প্ৰাথমিক বিদ্যালয় (১৯৭২) । ১৫৫ নং চলাপথাৰ প্ৰাথমিক বিদ্যালয়ৰ সৈতে প্ৰাক্-প্ৰাথমিক শিক্ষা প্ৰদানৰ উদ্দেশ্যে ২০০৬ চনত এখন অংগনবাড়ী কেন্দ্ৰ স্থাপন কৰা হয়। ১৯৫৯ চনত গাঁওত চলা উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰা হয়। এই বিদ্যালয়ৰ সৈতে চলাপথাৰ শিশু মন্দিৰ প্ৰাথমিক বিদ্যালয়ক সংযোজিত কৰা হৈছে। বৌদ্ধবিহাৰত থকা পালি বিদ্যালয় আৰু এই শিক্ষানুষ্ঠানসমূহত সহশিক্ষাৰ সুবিধা আছে। চলা শ্যাম গাঁওৰ ছোৱালীবিলাকে এই শিক্ষানুষ্ঠানসমূহত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা গ্ৰহণ কৰি দূৰণি স্থানত উচ্চ শিক্ষা আৰু বৃত্তিমূলক শিক্ষাগ্ৰহণ কৰে। কেইবাগৰাকী ছোৱালীয়ে আই. টি. আই. (ITI), পলিটেকনিক, ফাৰ্মাচী, নাৰ্চিং, আইন আৰু ইঞ্জিনিয়াৰিং শিক্ষা গ্ৰহণ কৰিছে।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

চলাপথাৰ শ্যাম গাঁওত ক্ষেত্ৰ অধ্যয়নৰ নমুনা দল হিচাপে নিৰ্বাচিত মহিলাসকলৰ তালিকা তলত দেখুওৱা হ'ল —

**তালিকা নং ২ ঃ মহিলাসকলৰ নমুনা দল**

| ক্ৰমিক নং | শিক্ষাগত অৰ্হতা | মহিলাৰ সংখ্যা |
|---|---|---|
| ১ | প্ৰাথমিক স্তৰ | ১১ |
| ২ | উচ্চ মাধ্যমিক স্তৰ | ১৩ |
| ৩ | উচ্চতৰ মাধ্যমিক স্তৰ | ৯ |
| ৪ | স্নাতক পৰ্যায় | ৩ |
| ৫ | অসাক্ষৰ | ১ |
| | মুঠ সংখ্যা ঃ | ৩৭ গৰাকী |

প্ৰকল্প অধ্যয়নৰ কাৰণে প্ৰস্তুত কৰা প্ৰশ্নসূচী পূৰণ কৰা ৩৭ গৰাকী মহিলাৰ এগৰাকীহে অসাক্ষৰ পোৱা গ'ল। তেখেতে শৈক্ষিক সচেতনতাৰ অভাৱত শিক্ষাগ্ৰহণৰ পৰা বঞ্চিত হয়। বৰ্তমান তেওঁ নাৰীৰ শিক্ষাগ্ৰহণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি সকলোৰে কাৰণে শিক্ষাৰ পোষকতা কৰে। চলাপথাৰ শ্যাম গাঁওত কোনো আনুষ্ঠানিক প্ৰাপ্তবয়স্ক শিক্ষাৰ ব্যৱস্থা নাই। শিক্ষিত মহিলাসকলৰ সংগ্ৰহীত তথ্যৰ বিশ্লেষণ আগবঢ়োৱা হ'ল —

আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত মহিলাসকলে পূৰ্বতে পোৱা উৎসাহ আৰু সহায়ৰ উৎস সম্পৰ্কত নিম্নোক্ত তথ্য সমূহত তালিকাৰ সহায়ত ব্যাখ্যা কৰা হ'ল —

**তালিকা নং ৩ ঃ ছোৱালীৰ আনুষ্ঠানিক শিক্ষাগ্ৰহণত উৎসাহ প্ৰদানৰ উৎস**

| ক্ৰমিক নং | উৎস | মহিলাৰ সংখ্যা | শতাংশ |
|---|---|---|---|
| ১ | পিতৃ | ২২ | ৬১.১১ |
| ২ | মাতৃ | ১৩ | ৩৬.১১ |
| ৩ | শিক্ষক | ২ | ৫.৫৫ |
| ৪ | স্বামী | ০ | ০ |
| ৫ | অন্যান্য | ০ | ০ |

*উৎস ঃ নিজে সংগ্ৰহ কৰা*

উক্ত তালিকাৰ পৰা দেখা গ'ল যে, চলাপথাৰ শ্যাম গাঁওৰ নিৰ্বাচিত নমুনা দলৰ অন্তৰ্ভুক্ত মহিলাসকলৰ ৬১.১১ শতাংশ মহিলাৰ আনুষ্ঠানিক শিক্ষাগ্ৰহণত পিতৃয়ে আৰু ৩৬.১১ শতাংশ মহিলাৰ শিক্ষাগ্ৰহণত মাতৃয়ে প্ৰেৰণা তথা আৰ্থিক আৰু মানসিক সহায় আগবঢ়াইছিল। গতিকে ইয়াৰ পৰা সিদ্ধান্তত উপনীত হ'ব পাৰি যে চলাপথাৰ শ্যাম গাঁওৰ পিতৃ-মাতৃসকল শিক্ষা সচেতন আৰু ই সমাজৰ কাৰণে ইতিবাচক বাৰ্তা বহন কৰে।

মহিলাসকলে আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰাৰ কাৰণসমূহ তলত উপস্থাপন কৰা হ'ল —

**তালিকা নং ৪ ঃ মহিলাৰ আনুষ্ঠানিক শিক্ষা সমাপ্তিৰ কাৰণ**

| ক্ৰমিক নং | কাৰণ | মহিলাৰ সংখ্যা | শতাংশ হাৰ |
|---|---|---|---|
| ১ | গৃহ কৰ্মত ব্ৰতী | ১১ | ৩০.৫৫ |
| ২ | অৰ্থনৈতিক সমস্যা | ৮ | ২২.২২ |
| ৩ | অভিভাৱকৰ অনিচ্ছা | - | - |
| ৪ | আগতীয়া বিবাহ | ১৪ | ৩৮.৮৮ |
| ৫ | অন্যান্য | ৩ | ৮.৩৩ |

*উৎস ঃ নিজে সংগ্ৰহ কৰা*

উপৰোক্ত তালিকাৰ পৰা পোৱা সংগৃহীত তথ্য মতে নমুনা দলৰ ৩০.৫৫ শতাংশ মহিলাই গৃহকৰ্মত নিয়োজিত হোৱা কাৰণে, ২২.২২ শতাংশ মহিলাই আৰ্থিক অভাৱত, ৩৮.৮৮ শতাংশ মহিলাই আগতীয়া বিবাহ আৰু ৮.৩৩ মহিলাই অন্যান্য কাৰণত আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰে।

উক্ত তথ্যৰ পৰা এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে, চলাপথাৰ শ্যাম গাঁওত মহিলাসকলৰ পূৰ্বতে মাধ্যমিক পৰ্যায়তে

Head
Deptt. of Education

শিক্ষা সমাপ্তিৰ নিৰ্দিষ্ট কাৰণ হিচাপে গৃহ কামত নিয়োজিত হোৱা আৰু আগতীয়া বিবাহ প্ৰধান আছিল।

### ৭.২.২ জীৱিকা ঃ

চলাপথাৰ শ্যাম গাঁওৰ কৃষিজীৱী লোকসকলে শালি আৰু লাহি খেতি কৰে। দুই এজনে চাহ খেতিতো আত্মনিয়োগ কৰিছে। মহিলাসকলেও কৃষি কাৰ্যত সহায় কৰে।

চলাপথাৰ শ্যাম গাঁওৰ বহুতো মহিলাই আৰ্থিক উপাৰ্জন কৰে। গাঁওখনৰ মহিলাৰ শ্ৰমত নিয়োজিত থকাৰ এক সাংখ্যিক তথ্য উপস্থাপন কৰা হ'ল —

**তালিকা নং ৫ ঃ চলাপথাৰ শ্যাম গাঁওৰ মহিলাৰ জীৱিকাত নিয়োজন।**

| ক্ৰমিক নং | জীৱিকা | মহিলাৰ সংখ্যা |
|---|---|---|
| ১ | ক্ষুদ্ৰ ব্যৱসায় | ২০ |
| ২ | চৰকাৰী বিদ্যালয়ত শিক্ষকতা | ৬ |
| ৩ | বেচৰকাৰী বিদ্যালয়ত শিক্ষকতা | ২ |
| ৪ | মহাবিদ্যালয়ত অধ্যাপনা | ১ |
| ৫ | কনিষ্ঠ অভিযন্তা | ৩ |
| ৬ | বেচৰকাৰী সেৱা | ৪ |
| ৭ | আত্মসহায়ক গোট | ৭০ |
| ৮ | পেঞ্চনভোগী | ৩ |
| ৯ | কৰ্মচাৰী | ২ |
| ১০ | উকিল | ১ |
| ১১ | পাৰ্লাৰ | ১ |

*উৎস ঃ নিজে সংগ্ৰহ কৰা*

গৃহিনীসকলে বোৱা-কটা, হাঁহ পালন, গাহৰি পালন, চিলাই আদি কামৰ জৰিয়তে উপাৰ্জন কৰে। তেওঁলোকৰ উপাৰ্জনেৰে পৰিয়ালক আৰ্থিক সহায় কৰিবলৈ সক্ষম হয়। দুগৰাকী মহিলাৰ মতে উপযুক্ত বজাৰৰ অভাৱত উৎপাদিত দ্ৰব্য বিক্ৰী কৰিব নোৱাৰে। চলাপথাৰ শ্যাম গাঁওত ১০ টা আত্মসহায়ক গোটৰ জৰিয়তে ৭০ গৰাকী মহিলা লাভৱান হৈছে। গাঁওখনত থকা কেইটামান আত্মসহায়ক গোটৰ নাম হৈছে — মায়াদেৱী আত্মসহায়ক গোট, বৈশালী আত্মসহায়ক গোট, অজন্তা আত্মসহায়ক গোট, শিৱালী আত্মসহায়ক গোট, গৌতমী আত্মসহায়ক গোট ইত্যাদি। তেওঁলোকে কোনো সাহায্য নাপায়। এটা গোটেহে কাঠ ফুলা খেতিৰ কাৰণে এককালীন সাহায্য লাভ কৰিছিল। এনে গোটে পৰ্যটকক পৰম্পৰাগত খাদ্য যোগান, হস্ত তাঁত, কৃষিজ দ্ৰব্য উৎপাদন আৰু বিক্ৰীৰ কাম জড়িত হৈ আছে। কোনো গোটে পশুপালন, নাৰ্চাৰী, হস্তশিল্প বা অন্যান্য কৰ্মত নিয়োজিত নাই।

### ৭.২.৩ সামাজিক পৰিৱৰ্তন ঃ

চলাপথাৰ শ্যাম গাঁওৰ পুৰুষ-মহিলাসকলে বৰ্তমান দিনতো তেওঁলোকৰ পৰম্পৰাগত সাজপাৰ পৰিধান কৰি ঘৰুৱা কাম-কাজত ব্ৰতী হয়। মহিলাসকলে ককালৰ উৰ্দ্ধাংশত দীঘল হাতৰ ব্লাউজৰ আকৃতিৰ 'ছু' নামৰ চোলা, কঁকালৰ তলৰ অংশত কলা ৰঙৰ মেখেলা 'চিন', তাৰ ওপৰত কঁকালত মেৰিয়াই চুটি ৰিহা আৰু বাঁওকান্ধত পেলাই সোঁ বাহুৰ তলেদি এখন চাৰিহাতমান দৈৰ্ঘৰ কাপোৰ লয়। তেওঁলোকে সীমিত অলংকাৰ পৰিধান কৰে আৰু সেন্দুৰৰ ফোঁট নলয়। আজিকালি চহৰ অঞ্চললৈ বিশেষ কামত আহিলে গাভৰু মহিলাসকলে চাদৰ-মেখেলা, শাৰী আদি আৰু ছোৱালীবিলাকে উচ্চ শিক্ষা গ্ৰহণৰ ঠাইত আধুনিক সাজ পৰিধান কৰে।

শ্যামসকলে অন্যান্য প্ৰতিবেশী জনগোষ্ঠীসমূহৰ সাংস্কৃতিক অনুষ্ঠান আৰু জাতীয় উৎসৱতো অংশগ্ৰহণ কৰে। পূৰ্বতে তাত গাভৰু বিহু আৰু লোকগীতৰ প্ৰচুৰ প্ৰচলন আছিল।

চলা শ্যাম গাঁওৰ সৰহসংখ্যক বিবাহ নিজ গাঁওৰ বাসিন্দাৰ মাজতে হৈছে যদিও টাই আহোম, অন্য বৌদ্ধ জনগোষ্ঠী, টাই খামতি, চিংফৌ, সোণোৱাল কছাৰী, চুতীয়া আদি জনগোষ্ঠীৰ লোকৰ সৈতেও বিবাহ হোৱা দেখা যায়। বৈবাহিক সম্বন্ধ স্থাপনৰ ক্ষেত্ৰত পূৰ্বতকৈ যথেষ্ট শিথিল হৈছে।

চলা শ্যাম গাঁওৰ এগৰাকী মহিলাই পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাদে অন্য নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ

Head
Deptt. of Education

উদাহৰণ নাই। অৱশ্যে ভোটদান কাৰ্যত অংশগ্ৰহণ কৰি বিবেকেৰে ভোটদানৰ পোষকতা কৰে।

নমুনা দলৰ অন্তভুৰ্ক্ত সকলো মহিলাই অসমীয়া ভাষা শিক্ষণৰ পোষকতা কৰে যদিও একাংশ মহিলাই ইংৰাজী মাধ্যমত সন্তানক পঢ়ুৱাইছে।

চলাপথাৰ শ্যাম গাঁওত মহিলাসকলৰ উন্নয়নৰ কাৰণে কোনো পৃথক কাৰ্যসূচী ৰূপায়ণ নহয়। চৰকাৰে এটা হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিছে য'ত মাজে-সময়ে কাপোৰ বোৱা আৰু ফুলৰ চানেকিৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়।

**৮.০ অধ্যয়নৰ ফলাফল ঃ**

প্ৰকল্প অধ্যয়নৰ সংগৃহীত তথ্য বিশ্লেষণৰ পাছত অধ্যয়নকাৰী নিম্নোক্ত ফলাফলত উপনীত হয়—

ক) চলাপথাৰ শ্যাম গাঁওত অৱস্থিত চলা জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয় হৈছে স্বাধীনোত্তৰ কালত অসমত প্ৰতিষ্ঠিত প্ৰথমখন পালি শিক্ষা প্ৰদান কৰা বিদ্যালয়। চৌসত্তৰ বছৰীয়া ইতিহাসত বিদ্যালয়খনে বৌদ্ধ ভিক্ষু শিক্ষক আৰু প্ৰয়োজনীয় আন্তঃগাঁথনিৰে পালি প্ৰাকৃত ভাষাৰ প্ৰচলন আৰু বৌদ্ধ সংস্কৃতি সংৰক্ষণত বিশেষ ভূমিকা পালন কৰি আহিছে। বৰ্তমান প্ৰৱেশিকা পৰীক্ষা অনুষ্ঠিত কৰি আহিছে যদিও অনাগত বৰ্ষত বিদ্যালয়খন পালি অধ্যয়নকেন্দ্ৰলৈ ৰূপান্তৰিত কৰা হ'ব। এই বিদ্যালয়ে দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত বৌদ্ধ শিক্ষাৰ সমন্বয় সাধন কৰি আছে।

খ) চলাপথাৰ শ্যাম গাঁওত পালি বিদ্যালয়ৰ উপৰিও অসমীয়া মাধ্যমৰ দুখন চৰকাৰী প্ৰাথমিক আৰু এখন মাধ্যমিক বিদ্যালয়তো ছোৱালীৰ শিক্ষা গ্ৰহণৰ সুবিধা আছে। চলা শ্যাম গাঁওৰ মহিলাসকল সাক্ষৰ। গাঁওত ৩ গৰাকী বৃদ্ধাহে নিৰক্ষৰ। ছোৱালীবিলাকে উচ্চ শিক্ষা, বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষাও গ্ৰহণ কৰিছে।

গ) চলাপথাৰ শ্যাম গাঁওৰ নিৰ্বাচিত নমুনা দলৰ অন্তভুৰ্ক্ত মহিলাসকলৰ ৬১.১১ শতাংশ মহিলাক পিতৃয়ে আৰু ৩৬.১১ শতাংশ মহিলাক মাতৃসকলে আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰত উৎসাহ দিছিল যি পিতৃ-মাতৃৰ শিক্ষা সচেতনৰ বাৰ্তা বহন কৰে।

ঘ) চলা পথাৰ শ্যাম গাঁওৰ মহিলাসকল বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী খণ্ডত নিয়োজিত হৈ আছে। গৃহিনীসকলো হাঁহ-গাহৰি পালন, হস্ত তাঁত, চিলাই, কৃষি কৰ্ম, খাদ্য প্ৰস্তুত আৰু আত্মসহায়ক গোট সমূহত জড়িত হৈ ঘৰখনৰ কাৰণে উপাৰ্জনৰ পথ উলিয়াইছে।

ঙ) চলাপথাৰ শ্যাম গাঁওৰ মহিলাসকলৰ সময়ৰ পৰিৱৰ্তনৰ লগত সাজপাৰ আৰু ভাষাৰ পৰিৱৰ্তন হৈছে। সেইদৰে আন্তঃসম্প্ৰদায় বিবাহ হোৱা দেখা গৈছে। মহিলাসকলৰ ৰাজনৈতিক সচেতনতা পূৰ্বতকৈ বৃদ্ধি পাইছে। অৱশ্যে গাঁওখনত এটা হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰৰ বাদে মহিলা উন্নয়নৰ অন্য কোনো চৰকাৰী ব্যৱস্থা নাই।

**৯.০ সামৰণি ঃ**

টাই খাময়াং সকলৰ অসমৰ সংস্কৃতিলৈ যথেষ্ট সাংস্কৃতিক অবদান আছে। চলাপথাৰ শ্যাম গাঁওৰ বৌদ্ধ মঠ আৰু সাংস্কৃতিক কেন্দ্ৰৰ সৈতে সংযোজিত পালি বিদ্যালয়ৰ শিক্ষাই বৌদ্ধ সংস্কৃতি, ধৰ্মীয় ৰীতি-নীতি আৰু বৌদ্ধ শিক্ষা সংৰক্ষণ তথা উত্তৰণত যথেষ্ট অৰিহণা আগবঢ়াই আহিছে। অনাগত দিনত বৌদ্ধ অধ্যয়ন কেন্দ্ৰৰ অধ্যয়ন সাধনা আৰু প্ৰসাৰৰ ওপৰতে ইয়াৰ সফলতা নিৰ্ভৰ কৰে।

গাঁওখনৰ মহিলাসকলে উচ্চ মাধ্যমিক শিক্ষা সম্পূৰ্ণ কৰাৰ পাছত দুৰণিবটীয়া অঞ্চলত অৱস্থিত শিক্ষানুষ্ঠানত উচ্চতৰ মাধ্যমিক, উচ্চ শিক্ষা আৰু বৃত্তিমূলক শিক্ষাগ্ৰহণ কৰি কেইবাগৰাকী মহিলা স্বাৱলম্বী হৈছে। শিক্ষাৰ প্ৰভাৱত গাঁওখনৰ ছোৱালীবিলাকৰ সামাজিক দিশত পৰিৱৰ্তন দেখা যায়। বৃহত্তৰ চলাপথাৰ অঞ্চলৰ একমাত্ৰ উচ্চ মাধ্যমিক বিদ্যালয় চলা উচ্চ মাধ্যমিক বিদ্যালয়ত উচ্চতৰ মাধ্যমিক শাখা সংযুক্ত কৰি চৰকাৰী অনুমোদনত বিজ্ঞান শাখা প্ৰৱৰ্তনৰ অনুমতি লাভ কৰিছে। মহিলাসকলৰ সচেতনতাই ভৱিষ্যতৰ সন্তানসকলৰ আৰু বৃহত্তৰ অঞ্চলটোৰ শৈক্ষিক বিকাশ সাধন কৰিব বুলি ভবাৰ থল আছে।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

**সহায়ক গ্ৰন্থপঞ্জীঃ**


গগৈ, ড° লীলা ঃ অসমৰ সংস্কৃতি (অষ্টম সংস্কৰণ), ডিব্ৰুগড় ঃ বনলতা, ২০১১।

মৰাণ, বিজু ঃ টাই ফাকে ভাষা আৰু সংস্কৃতি, ডিব্ৰুগড ঃ গোলাপী প্ৰকাশন, ২০০৯।

শৰ্মা, ড° মুকুল কুমাৰ ঃ ভাৰতীয় শিক্ষাৰ বিকাশাত্মক ইতিহাস, ডিব্ৰুগড় ঃ বনলতা, ২০১৩।

ভৰালী, সুজিত ঃ 'উজনি অসমৰ টাই জনগোষ্ঠী (আহোম সকলৰ বাদ দি)ঃ প্ৰব্ৰজনৰ ইতিহাস বসতি আৰু সাংস্কৃতিক উপাদান', পাঞ্চজন্য, বঞ্জিত হাজৰিকা (সম্পাঃ), শিৱসাগৰ মাণ্ডলিক সমিতি, অসম কলেজ শিক্ষক সংস্থা, ডিচেম্বৰ, ২০২১, পৃষ্ঠা ৬৫-৭৪।

ইন্টাৰনেট তথ্য ঃ kbvsasun.ac.in


**সমল ব্যক্তি ঃ**


১। শ্ৰী ধ্ৰুৱজ্যোতি শ্যাম, ৫৭ বছৰ, প্ৰধান অধ্যাপক, চলা জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয়; চৰাইদেউ।

২। কবিতা শ্যাম, ৫২ বছৰ, প্ৰধান শিক্ষয়িত্ৰী, চলা উচ্চ মাধ্যমিক বিদ্যালয়।

৩। শ্ৰীমতী আৰাধনা সোনোৱাল চাউলু, ৪২ বছৰ বৈশালী আত্মসহায়ক গোট চলাপথাৰ শ্যাম গাঁও।


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# চলাপথাৰ শ্যাম গাঁওৰ মানচিত্ৰ



উৎস ঃ Google মেপৰ সৌজন্যত

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# Check List

**Topic: A Field Project on Indigenous Pali Education and Educational aspects of women in Chalapathar Shyam Village, Charaideu district**

**Instruction:** Please tick the appropriate option.

1. Land: a) less than 500 bigha b) More than 5oo bigha

2. School building: a) RCC b) Assam type c) Half concret d) Keccha

3. Classroom: a) For teachers: b) For students:

4. Number of books in the library:

   a) Less than 500 b) 500-1000 c) More than 1000

5. Teaching aids: List of teaching aids Number

   (i)

   (ii)

   (iii)

6. Other facilities:

| | | |
|---|---|---|
| (a) Separate toilet facilities | Yes | No |
| (b) Clean drinking facilities | Yes | No |
| (c) Electricity provision | Yes | No |
| (d) Playground | Yes | No |
| (e) Laboratory | Yes | No |
| (f) Facility for recreational activities | Yes | No |

7. Educational programmes of the school:

Signature

*****

Head
Deptt. of Education
... D.G. College, Nitaipukhuri

# প্ৰশ্নসূচী

## বিষয় ঃ চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ মহিলাসকলৰ শিক্ষা, জীৱিকা আৰু সামাজিক পৰিৱৰ্তন

জৰীপৰ তাৰিখ ঃ

নিৰ্দেশনা ঃ উপযুক্ত উত্তৰত (✓)চিহ্ন দিব।

**সাধাৰণ তথ্যঃ**

১। গাঁওৰ নাম (উন্নয়ন খণ্ড/জিলা) ঃ

২। নাম ঃ

৩। বয়স ঃ

৪। পৰিয়ালৰ প্ৰকাৰ ঃ একক/যৌথ

৫। পৰিয়ালৰ উপাৰ্জনৰ প্ৰাথমিক উৎস ঃ

৬। মাতৃভাষা ঃ

ঘৰৰ বাহিৰত ব্যৱহৃত ভাষা ঃ

৭। সম্প্ৰদায় ঃ

৮। শিক্ষাগত অৰ্হতা ঃ প্ৰাথমিক/মাধ্যমিক/উচ্চ/বৃত্তিমূলক শিক্ষা/অসাক্ষৰ

**শৈক্ষিক তথ্য ঃ**

**সাক্ষৰৰ কাৰণে ঃ**

১। আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ কাৰণে আপোনাক কোনে উৎসাহ আৰু সহায় আগবঢ়াইছিল? পিতৃ/মাতৃ/শিক্ষক/স্বামী/অন্যান্য

২। আনুষ্ঠানিক শিক্ষা আপুনি সমাপ্ত কৰাৰ কাৰণ চিনাক্ত কৰক। গৃহকৰ্মত ব্ৰতী হোৱা/অৰ্থনৈতিক সমস্যা/অভিভাৱকৰ অনিচ্ছা/আগতীয়া বিবাহ/অন্যান্য কাৰণ

৩। আপোনালোকৰ অঞ্চলত অনানুষ্ঠানিক বা প্ৰাপ্তবয়স্ক বা অবিৰত শিক্ষাগ্ৰহণৰ ব্যৱস্থাৰে নাৰীক শিক্ষা প্ৰদানৰ সুবিধা আছে নেকি? আছে/নাই

**অসাক্ষৰৰ কাৰণে ঃ**

১। আপুনি শিক্ষা গ্ৰহণৰ সুবিধাৰ পৰা বঞ্চিত হোৱাৰ কাৰণ চিনাক্ত কৰক। দূৰণিবটীয়া বিদ্যালয়/আৰ্থিক অভাৱ/ঘৰুৱা কাম-কাজ/অন্যান্য

২। পঢ়া-শুনা নকৰাৰ কাৰণে আপুনি অনুতপ্ত হয়নে? হয়/নহয়

৩। বৰ্তমান কালত ছোৱালীৰ শিক্ষাগ্ৰহণ প্ৰয়োজনীয় বুলি ভাবেনে? ভাবো/নাভাবো।

উত্তৰৰ সপক্ষে কাৰণ ঃ..........................................................

**জীৱিকা ঃ**

১। আপুনি উপাৰ্জন কৰেনে? কৰো/নকৰো

২। যদি কৰে, উপাৰ্জনৰ উৎস জনাবনে? সেৱা কাৰ্য/দৈনিক আয়/দোকান/অন্য ব্যৱসায়

৩। আপোনাৰ উপাৰ্জনেৰে পৰিয়ালক আৰ্থিকভাৱে সহায় কৰিবলৈ সক্ষম হয়নে? হয়/নহয়

৪। মহিলা হোৱাৰ কাৰণে আপুনি কৰ্মস্থলীত কোনো সমস্যাৰ সন্মুখীন হয় নেকি? হয়/নহয়

যদি হয়, যাতায়তৰ অসুবিধা/সামগ্ৰীৰ কম বিক্ৰী/উপযুক্ত বজাৰৰ অভাৱ/উপাৰ্জিত ধন খৰচৰ ব্যক্তিগত অধিকাৰৰ পৰা বঞ্চিত হোৱা/সঞ্চয় কম/অন্যান্য সমস্যা..........................................

৫। আপোনালোকৰ গাঁওৰ আত্ম সহায়ক গোটে চৰকাৰী আৰু বেচৰকাৰী উৎসৰ পৰা সাহাৰ্য পায়নে? পায়/নাপায়

যদি পায়..........................................................

৬। আত্মসহায়ক গোট কেনেধৰণৰ কৰ্মত জড়িত হৈ থাকে? কৃষিজাত দ্ৰব্য উৎপাদন/পশুপালন/হস্ততাঁত/হস্তশিল্প/নাচৰী/অন্যান্য..............

**সামাজিক পৰিৱৰ্তন ঃ**

১। আপোনাৰ গাঁওৰ পৰিয়ালসমূহত বৰ্তমানো পৰম্পৰাগত সাজপাৰ পৰিধান কৰেনে? কৰে/নকৰে

যদি কৰে, পৰম্পৰাগত সাজপাৰ কেৱল মহিলাসকলে পৰিধান কৰি ঘৰুৱা কাম-কাজ কৰেনে? কৰে/নকৰে

২। আপোনালোকে নিজা সাংস্কৃতিক উৎসৱ সমূহত অংশগ্ৰহণ কৰাৰ উপৰিও ৰাজ্যৰ অন্য জনগোষ্ঠীৰ উৎসৱতো অংশগ্ৰহণ কৰেনে? কৰোঁ/নকৰোঁ

৩। আপোনালোকৰ সমাজত বৰ্তমান আন্তঃ সম্প্ৰদায়/আন্তঃধৰ্মীয়/আন্তঃ জনগোষ্ঠীয় বিবাহ সম্পাদন হৈছেনে ? হৈছে/নাই হোৱা

৪। আপোনালোকৰ গাঁওৰ মহিলাই ৰাজনৈতিক ক্ষেত্ৰত অংশগ্ৰহণ কৰোতে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছেনে? কৰিছে/নাই কৰা

৫। আপোনাৰ সন্তানক কেনেধৰণৰ বিদ্যালয়ত পঢ়ুৱাব বিচাৰে বা পঢ়ুৱাইছে? মাতৃভাষা মাধ্যমৰ বিদ্যালয়/ইংৰাজী মাধ্যমৰ বিদ্যালয়

৬। আপোনাৰ গাঁওত মহিলাসকলৰ উন্নয়নৰ কাৰণে কেনেধৰণৰ গঠনমূলক কাৰ্য সম্পাদন হয়?..........................................
..........................................................................................


Head
Deptt. of Education

# চলাপথাৰ শ্যাম গাঁৱত ক্ষেত্ৰ অধ্যয়নৰ আলোক চিত্ৰ










চলা জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয়ৰ সৈতে দক্ষিণ কোৰিয়াৰ ছাত্ৰসকলৰ আন্তঃবিনিময় আলোকচিত্ৰ



চলা জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ সৈতে ছাত্ৰীসকল

# চলাপথাৰ শ্যাম গাঁৱত ক্ষেত্ৰ অধ্যয়নৰ আলোকচিত্ৰ




চলাপথাৰ বৌদ্ধ মঠ আৰু সাংস্কৃতিক কেন্দ্ৰত
অধ্যয়নকাৰী দল



চলা জ্ঞানোদয় উচ্চ চৰকাৰী
পালি বিদ্যালয়ৰ সংগ্ৰাহালয়ৰ একাংশ

চলাপথাৰ বৌদ্ধ মঠ
আৰু সাংস্কৃতিক
কেন্দ্ৰত নিৰ্মিত
অষ্টমাৰ্গৰ
আলোকচিত্ৰ





চলা জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয়ৰ
ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকা



তাঁত বৈ থকা অৱস্থাত এগৰাকী
টাই খাময়াং মহিলা





পৰম্পৰাগত সাজপাৰত
টাই খাময়াং মহিলা